# পিতৰৰ দ্বিতীয় পত্ৰ

১ ১যীচু খ্ৰীষ্টৰ দাস। পাঁচনি চিমোন পিতৰ আৰু
তেওঁবিলাকৰ সমীপলৈ যিবিলাক আমাৰ ঈশ্বৰৰ পৰা
সমান অমূল্য বিশ্বাসীৰ অংশী হল।কিয়নো আমাৰ ঈশ্বৰ
আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্ট ন্যায়পূৰ্ণ।
২তোমালোক ঈশ্বৰ আৰু আমাৰ যীচু খ্ৰীষ্টক জানা সেয়ে
তোমালোকলৈ ঈশ্বৰৰ কৃপা আৰু অনুগ্ৰহ বাহুল্যৰূপে
হওক।

### ঈশ্বৰে আমাক সকলো দিছে

৩আমাৰ জীৱন আৰু ঈশ্বৰৰ ভক্তিৰ অৰ্থে আমাক যি লাগে,
নিজৰ ঐশ্বৰিক শক্তিৰ দ্বাৰা তেওঁ আমাক সকলো দিছে।
কিয়নো আমি তেওঁক জানো। যি জনাই নিজ গৌৰৱ আৰু
ধাৰ্মিকতাৰে আমাক আমন্ত্ৰণ কৰিলে। ৪এইবোৰৰ দ্বাৰাই
তেওঁ মহৎ বহুমূলীয়া ঐশ্বৰিক বৰ দিলে, যিটো তেওঁ
প্ৰতিজ্ঞা কৰিছিল যাতে সেইবোৰৰ দ্বাৰা তোমালোক ঈশ্বৰৰ
সমান হোৱা আৰু সংসাৰ-ব্যাপি অভিলাষমূলক ক্ষয়ৰ পৰা
হাত সাৰি থাকা।
৫এইকাৰণেই তোমালোকৰ বিশ্বাসৰ উত্তম গুণক,
উত্তম গুণৰ জ্ঞানক ৬জ্ঞানত ইন্দ্ৰিয় দমন, ইন্দ্ৰিয় দমনত
ধৈৰ্য্য, ধৈৰ্য্যত ঈশ্বৰৰ ভক্তিক ৭ভক্তিত ভাতৃস্নেহ আৰু
ভাতৃস্নেহত প্ৰেমক লৈ আগ বাঢ়া। ৮কিয়নো এই
সকলো গুণ তোমালোকত থাকিলে, আৰু উপচি পৰিলে
তোমালোকক সফল কৰিব আৰু তেওঁৰ তোমালোকে
আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পৰিপূৰ্ণত জ্ঞান প্ৰাপ্ত হবা। ৯কিন্তু যাৰ
এই গুণ বিলাক নাই, তেওঁত দূৰ-দৃষ্টি নাই তেওঁ অন্ধ।তেওঁ
পাহৰি গল যে তেওঁৰ পূৰ্ব-পাপক ধোৱা হল।
১০এতেকে হে ভাইবিলাক, তোমালোক বাস্তৱ ৰূপে
ঈশ্বৰৰ আমন্ত্ৰীত আৰু মনোনীত তাক দেখুউৱাব নিমিত্তে
দৃঢ় হোৱা, ইয়াকে কৰিলে তোমালোক কেতিয়াও উজুতি
নাখাবা আৰু পতিত নহবা। ১১এইকাৰণে আমাৰ প্ৰভু তথা
ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অনন্ত ৰাজ্যত প্ৰৱেশ কৰিবলৈ দি
ঈশ্বৰে নিজৰ দয়া দেখুৱাব।
১২এতেকে মই তোমালোকক, যদিও তোমালোকে জানা
যি সত্যতা তোমালোকে পাইছা, আৰু তাতে স্হিৰে আছা,
এইবোৰ কথা সোঁৱৰণ কৰাই থাকিম। ১৩মই যেতিয়ালৈকে
এই দেহাত থাকিম তোমালোকক সোঁৱৰণ কৰাই চেতনা
দিয়া মই উচিত জ্ঞান কৰোঁ। ১৪কিয়নো জানো যে শীঘ্ৰেই
এই দেহ এৰিব লাগিব। আমাৰ প্ৰভু যীচু খ্ৰীষ্টই যেনেকৈ
মোক জনালে। ১৫এতেকে মই যত্ন কৰিম যাতে মোৰ
মৃত্যুৰ পাছতো যেন তোমালোকে এই কথাবোৰ সুঁৱৰি
থাকিব পাৰিবা।

### মই খ্ৰীষ্টৰ মহিমাৰ দৰ্শন কৰিলো

১৬যেতিয়া আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পৰাক্ৰম আৰু আগমনৰ
কথা তোমালোকক জনাইছিলোঁ, তেতিয়া বুদ্ধিৰে সজা,
গল্প-কথাৰ অমুগামী নাছিলোঁ কিয়নো তেওঁৰ মহিমাৰ দেখা
সাক্ষী মই আছিলো। ১৭যেতিয়া তেওঁ পৰম পিতৃ ঈশ্বৰৰ
পৰা সমাদৰ আৰু গৌৰৱ পাইছিল তেতিয়া মহিমাযুক্ত
প্ৰতাপেৰে এই বাণী আহিছিল, “এওঁ মোৰ প্ৰিয় পুত্ৰ,
এওঁতেই মই পৰম সন্তোষ্ট”। ১৮মই সেই বাণী শুনিছিলো।
তেতিয়া আমি তেওঁৰ লগত সেই পবিত্ৰ পৰ্বতত আছিলোঁ।
১৯আমি ভাৱবাদী সকলৰ বাক্যত আগতকৈ দৃঢ় হৈ
থকা পাইছোঁ। ইয়াতে তোমালোকে মন দিছা ভাল কৰিছা
কিয়নো এইটো এটা পোহৰ, যিটো আন্ধাৰময় ঠাইত
প্ৰদীপৰ সাদৃশ্য, দিন নহয়মানে তোমালোকৰ হৃদয়ত
প্ৰভাতীয় তৰাৰ উদয় হয়। ২০কিন্তু গুৰুত্বপূৰ্ণ কথাটো
জানি লোৱাটো ভাল যে শাস্ত্ৰৰ কোনো ভাৱবাণী কোনো
ভাববাদীৰ নিজ ব্যাখ্যা নহয়। ২১কিয়নো কোনো মানুহে কব
বিচৰা, তেওঁৰ অনুসাৰে ভাৱবাণী নহয়। কিন্তু পবিত্ৰ আত্মাৰ
দ্বাৰাই চালিত হৈ মানুহবিলাকে ঈশ্বৰৰ বাক্য কয়।

### ভাঁৰি কোৱা শিক্ষক

২ ১যদিও মানুহবিলাকৰ মাজত ভাঁৰি কোৱা ভাৱবাদী
উ-পন্ন হৈছিল, ঠিক তেনেকৈয়ে তোমালোকৰ
মাজতো ভাঁৰি কোৱা ভাৱবাদী উপস্হিত হব। তেওঁলোকে
গুপুতে বিনাশৰূপ বিধৰ্ম প্ৰচলিত কৰিব আৰু সেই প্ৰভুক
অস্বীকাৰ কৰিব যি জনাই তেওঁবিলাকক মুক্তি দিলে।
এনেদৰে কৰি নিজে নিজৰ আকস্মিক বিনাশক আমন্ত্ৰণ
কৰিব। ২আৰু অনেক লোকবিলাক তেওঁবিলাকৰ লম্পট
আচৰণৰ অনুগামী হব। তেওঁবিলাকৰ কাৰণেই সত্যৰ
পথ নিন্দিত হব। ৩লোভৰ কাৰণে নিজৰ কল্পিত বাক্যৰে
তোমালোকৰ পৰা ধন লাভ কৰিব। তেওঁবিলাকৰ দণ্ড
ঈশ্বৰৰ দ্বাৰা পূৰ্ব্বৰে পৰা নিৰ্ধাৰিত কৰা হৈছে। তেওঁবিলাকৰ
বিনাশ প্ৰস্তুত হৈ আছে আৰু তেওঁবিলাকলৈ অপেক্ষা কৰি
আছে।
৪কিয়নো ঈশ্বৰে পাপ কৰা দূতবিলাকক মৰম নকৰি
তেওঁবিলাকক পাতাল অন্ধকুপত পেলাই দিলে, যাতে
ন্যায়ৰ দিনলৈকে তাতে পৰি থাকে।
৫তেওঁ পুৰাতন জগতকো মৰম নকৰিলে, কিন্তু নোহক
ৰক্ষা কৰিলে, যেতিয়া ভক্তিহীন বিলাকৰ ওপৰলৈ জলপ্লাৱন
পঠালে। নোহ সেই আঠজনৰ ভিতৰত এজন আছিল
যিবিলাক জলপ্ৰলয়ৰ পৰা ৰক্ষা পাইছিল। ধাৰ্মিকতাৰ
প্ৰচাৰক নোহে উপদেশ দিছিল।

৬চদোম আৰু ঘমোৰা দৰে নগৰক ভস্ম কৰি চাই কৰি
পেলালে যাতে ভক্তিলঙ্ঘনকাৰী বিলাকৰ সৈতে যি ঘটিব
তাৰ কাৰণে আৰ্হি কৰি থলে। ৭তেওঁ লোটক ৰক্ষা কৰিলে
যি এজন ধাৰ্মিক পুৰুষ আছিল।তেওঁ ধৰ্ম্মহীন বিলাকৰ
লম্পট আচৰণত দুখী হৈছিল। ৮সেই জন ধাৰ্মিক পুৰুষ
তেওঁবিলাকৰ মাজত বাস কৰোঁতে তেওঁবিলাকৰ অধৰ্ম-
কাৰ্য্য বিলাক প্ৰতিদিনেই দেখি শুনি তেওঁৰ প্ৰাণত বিৰক্তি
পাইছিল।
৯এইদৰে প্ৰভুৱে জানে যে ভক্তবিলাকক ন্যায়ৰ
দিনলৈকে কেনেকৈ উদ্ধাৰ কৰিব লাগে, আৰু দুষ্টবোৰক
দণ্ডৰ হেতু কেনেকৈ ৰাখিব লাগে। ১০বিশেষকৈ
সেইবিলাকক যিবিলাকে নিজৰ পাপময় প্ৰবৃতি আৰু
অশুচিতাৰ অভিলাষত চলে আৰু প্ৰভুৰ প্ৰভুত্বক হেয়জ্ঞান
কৰে।
এই সকলে নিজৰ ওপৰত অহংকাৰ কৰে।তেওঁবিলাকে
প্ৰতাপকাৰীৰ বিৰুদ্ধে নিন্দা কৰিবলৈ ভয় নকৰে। ১১কিন্তু
তেওঁবিলাকতকৈ বলৱন্ত পৰাক্ৰমী স্বৰ্গদূত বিলাকেও, প্ৰভুৰ
আগত কোনোধৰণৰ নিন্দাপূৰ্ণ দোষাৰোপ নকৰে।
১২কিন্তু এওঁলোক যি জ্ঞানহীন পশুবোৰৰ সমান যি
বিলাকে সহজপ্ৰবৃতিৰ কৰ্ম্ম বোৰ কৰে।তেওঁলোক ধৰা
পৰিব আৰু ক্ষয় পাবৰ কাৰণে জন্ম হল। তেওঁবিলাকে সেই
বিষয়ৰ বিৰুদ্ধে কথা কয়, যাৰ বিষয়ে তেওঁলোকে নুবুজে।
যেনেকৈ পশু মৰা হয়, তেনেকৈয়ে এওঁলোককো নষ্ট
কৰা হব। ১৩তেওঁবিলাক অপকাৰৰ সলনি অপকাৰেই পাব।
তেওঁলোকৰ উদৰ তৃপ্তিকে সুখ জ্ঞান কৰে।
তেওঁবিলাক দাগ আৰু কলঙ্কস্বৰূপ। তেওঁবিলাক
তোমালোকৰ লগত উৎসৱত সন্মিলিত হলে
১৪তেওঁবিলাকৰ চকু সদায় ব্যভিচাৰেৰে পৰিপূৰ্ণ। এইদৰে
তেওঁবিলাকৰ চকু পাপ কৰাৰ পৰা ক্ষান্ত নহয়। চঞ্চলমনা
বিলাকক পাপৰ কাৰণে ফুচুলাই নিয়ে। তেওঁবিলাকৰ হৃদয়
লোভত নিপুণ। তেওঁবিলাক শাওৰ সন্তান।
১৫পোন পথ ত্যাগ কৰি তেওঁবিলাক অপথে গল।
বিয়োৰৰ পুত্ৰ বিলিয়মৰ পথত চলিবলৈ অগ্ৰসৰ, বিলিয়ম,
যি অধাৰ্মিকতাৰ বেচ ভাল পাইছিল। ১৬কিন্তু তেওঁৰ বেয়া
কৰ্ম্মৰ বাবে গাধই, যি অবাক মানুহৰ মাতেৰে কথা কৈ
তেওঁক ধমক দি ভাববাদীৰ নিৰ্ব্বোধতা নিবাৰন কৰিলে।
১৭এই শিক্ষকবিলাক পানী নথকা নাদস্বৰূপ আৰু ধুমুহা
বতাহে উৰুৱাই নিয়া মেঘস্বৰূপ। তেওঁবিলাকৰ কাৰণে ঘোৰ
অন্ধাৰপূৰ্ণ স্হান নিশ্চিত কৰা হৈছে। ১৮তেওঁবিলাকে হাত
সাৰি অহাবিলাকক তেওঁবিলাকে নিজৰ ব্যৰ্থ অহংকাৰপুৰ্ণ
বাক্যৰে তেওঁবিলাকক মাংসিক কুঅভিলাষৰ ইচ্ছাক
উদগাই সত্যৰ পথৰ পৰা ফুচুলাই নিয়ে। ১৯এই ভাঁৰি কোৰা
শিক্ষক বিলাকে তেওঁবিলাকক স্বাধীনতাৰ বাক্য কয়। কাৰণ
যি ব্যক্তিয়ে যিহৰ দ্বাৰা পৰাজিত হয় তেওঁ তাৰে দাস হয়।
২০সেয়ে যদি তেওঁবিলাক আমাৰ প্ৰভু তথা ত্ৰাণকৰ্তা
যীচু খ্ৰীষ্টক জানি আৰু সংসাৰৰ নানা অশুচিতাৰ পৰা হাত
সাৰি অহা পাছতো পুনৰাই তাতে পৰি পৰাজিত হয়। তাতে
তেওঁবিলাকৰ শেষ স্হিতি প্ৰথম অৱস্হাতকৈয়ো বেয়া
হয়। ২১কিয়নো তেওঁবিলকৰ পক্ষে পবিত্ৰ আজ্ঞাৰ পৰা
উলটি যোৱাতকৈ, ধৰ্ম্ম-পথ নজনাকৈ থকা তেওঁলোকৰ
বাবে ভাল আছিল। ২২তেওঁবিলাকৰ লগত তেনেকুৱাই
ঘটিল যেনেকৈ স্বৰূপ পটন্তৰত কোৱাৰ দৰে, “কুকৰে
নিজৰ বাঁতিলৈ উভতি যায়”[a] আৰু “এটা ধুউৰা গাহৰিয়ে
বোকাত লেটিবলৈ আকৌ উলটি যায়।”

## যীচু পুনৰ আহিব

৩ ১হে মোৰ বন্ধুগন এতিয়া মই তোমালোকলৈ লিখা
এইখন দ্বিতীয় পত্ৰ। এই দুয়ো পত্ৰৰ দ্বাৰাই সেই
কথাবোৰ সোঁৱৰণ কৰাই তোমালোকৰ নিৰ্ম্মল চিত্তক
চেতনা দিছোঁ। ২যাতে তোমালোক পবিত্ৰ ভাৱবাদী
সকলে পূৰ্ব্বে কোৱা কথাবোৰ আৰু পাঁচনিবিলাকৰ দ্বাৰা
তোমালোকক দিয়া ত্ৰাণকৰ্তা প্ৰভুৰ আজ্ঞাবোৰ সোঁৱৰণ
কৰা।
৩প্ৰথমে ইয়াকে জানি লোৱা যে শেষৰ কালত বিদ্ৰূপত
আসক্ত বিদ্ৰূপকাৰীবিলাক উপস্হিত হব ৪আৰু কব,
“তেওঁৰ পুনৰ আগমনৰ প্ৰতিজ্ঞা কি হল? কিয়নো আমাৰ
পিতৃসকল নিদ্ৰিত হল, তেতিয়াৰে পৰা এনে কি সৃষ্টিৰ
আৰম্ভণৰ পৰা তেনেদৰেই চলি আহিছে।”
৫কিন্তু তেওঁবিলাকে ইচ্ছাকৃত ভাৱে ইয়াকে পাহৰি যায়
যে, ঈশ্বৰৰ বাক্যৰ গুণে আকাশ মণ্ডল স্হিতি প্ৰাপ্ত আৰু
পৃথিৱী জলৰ দ্বাৰাই আৰু জলতেই স্হিত আছে, ৬আৰু
এইবোৰৰ দ্বাৰাই তেতিয়াৰ জগত বিনষ্ট হৈছিল। ৭কিন্তু
এই আকাশ মণ্ডল আৰু পৃথিৱী আজিও নিজ অস্তিত্বতে
আছে, সেই আদেশৰে জুইৰ দ্বাৰাই বিনষ্ট কৰিবলৈ সঞ্চিত
আছে।এইবিলাকক সেই দিনৰ কাৰণে ৰখা হৈছে যেতিয়া
ভক্তিহীন মানুহবিলাকৰ বিচাৰ হব আৰু তেওঁবিলাকক নষ্ট
কৰি দিয়া হব।
৮কিন্তু মোৰ প্ৰিয়বিলাক! এটা কথা নাপাহৰিবা যে, প্ৰভুৰ
আগত এদিনেই হাজাৰ বছৰৰ নিচিনা, আৰু হাজাৰ বছৰেই
এদিনৰ নিচিনা। ৯প্ৰভুৱে নিজ প্ৰতিজ্ঞাৰ কথাত তেনে পলম
নকৰে, যেনেকৈ কোনো কোনোৱে ভাৱে কিন্তু তেওঁ আমাৰ
প্ৰতি দীৰ্ঘ-সহিষ্ণু হয়, কিয়নো কোনো যেন বিনষ্ট নহয়, কিন্তু
তেওঁ বিচাৰে সকলোৱে যেন মন পালটনত প্ৰবৃত্ত হয়।
১০কিন্তু প্ৰভুৰ দিন চোৰৰ দৰে আহিব। সেই দিন এক
ভয়ঙ্কৰ শব্দ কৰি আকাশ-মণ্ডল লুপ্ত হব, মূলবস্তুবোৰ
বস্তুবিলাক পুৰি যাব[b] হব, আৰু পৃথিৱী আৰু তাৰ সকলোবোৰ
বস্তু পোৰা যাব। ১১কিয়নো যেতিয়া এই সকলো বস্তুবোৰ
লয় হবলৈ হৈছে তেন্তে তোমালোকে চিন্তা কৰা যে
তোমালোক কেনে হোৱা উচিত? তোমালোকে ঈশ্বৰলৈ
সমৰ্পিত পবিত্ৰ জীৱন জীয়াব লাগে, আৰু প্ৰত্যেক উত্তম

[a] **২.২২** উদাহৰণ হিতো. ২৬:১১
[b] **৩:১০ বস্তুবিলাক পুৰি যাব** প্ৰথমতে কিছুমান যুনানী অনুলিপিত “পোৰা যাব” আৰু কিছুমানত আছে, “বিলীন হৈ যাব।”

কৰ্ম্ম কৰাটো আৱশ্যক। ১২আৰু তোমালোকে ঈশ্বৰৰ সেই
আগমনৰ দিনলৈ অপেক্ষা কৰিব লাগে আৰু আকাঙ্খা কৰিব
লাগে। সেই দিন অহাৰ লগে লগেই আকাশ-মণ্ডল পুৰি
ক্ষনত লয়প্ৰাপ্ত হব আৰু মূলবোৰ দগ্ধ হৈ গলি যাব। ১৩কিন্তু
আমি ঈশ্বৰৰ বাক্যানুসাৰে এক নতুন আকাশ-মণ্ডল আৰু
পৃথিৱীলৈ অপেক্ষা কৰি আছোঁ, যত ধাৰ্মিকতা নিবাস কৰে।
১৪এতেকে হে প্ৰিয়বিলাক, যিহেতু তোমালোকে
এইবোৰৰ বাবে অপেক্ষা কৰি আছা, যত্ন কৰা যাতে প্ৰভুৰ
দৃষ্টিত তোমালোক যেন নিষ্কলঙ্ক আৰু নিৰ্দ্দোষী হৈ শান্তিৰে
প্ৰকাশিত হোৱা। ১৫আমাৰ প্ৰভুৰ দীৰ্ঘ-সহিষ্ণুতাক পৰিত্ৰাণ
বুলি জ্ঞান কৰা। যেনেকৈ আমাৰ প্ৰিয় ভাই পৌলেও ঈশ্বৰৰ
দ্বাৰা তেওঁক দিয়া জ্ঞান অনুসাৰে তোমালোকলৈ লিখিলে।
১৬নিজৰ অন্য সকলো পত্ৰতো এইবোৰ বিষয়ৰ প্ৰসংগ
কৰি কৈছে। সেই পত্ৰবোৰত কেতবোৰ এনে কথা আছে
যিবোৰ বুজিবলৈ টান। অজ্ঞান আৰু চঞ্চল মানুহবিলাকে
সেইবিলাকৰ অৰ্থক অৰ্থান্তৰ কৰে। আন শাস্ত্ৰৰ ক্ষেত্ৰতো
একেই কৰে। ইয়াৰ দ্বাৰা তেওঁলোকে নিজে নিজৰ ভৰিত
কুঠাৰ মাৰে।
১৭এতেকে হে প্ৰিয়বিলাক, তোমালোকে এই সকলো
কথা আগেয়ে জানি সাৱধান হোৱা, যাতে ধৰ্ম্মহীনবিলাকৰ
ভ্ৰান্তিলৈ নিয়া হৈ নিজ স্হিৰতাৰ পৰা যেন পতিত নোহোৱা।
১৮আৰু আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অনুগ্ৰহত
আৰু জ্ঞানত বাঢ়ি যোৱা। এতিয়া আৰু অনন্তকাললৈকে
তেওঁৰ মহিমা হওক।